# মোচি আৰু পুৰণি নিয়মৰ বিধান

বাইবেলৰ প্ৰথম পাঁচখণ্ড, ভাগ ৩ ঃ যাত্ৰাপুস্তক, ঈশ্বৰৰ বিধান প্ৰদান।

ল’ৰা-ছোৱালীবিলাকক শিকোৱাবিলাকে P2b3 অধ্যয়ন পঢ়া উচিত।

**প্ৰাৰ্থনা ঃ** “পুৰণি ইস্ৰায়েলক তুমি দিয়া আজ্ঞাবোৰৰ বৰ্ত্তমান উদ্দেশ্য বুজিবলৈ আমাক সহায় কৰা।”

**১। আপোনাৰ মন আৰু হৃদয় ঈশ্বৰৰ বাক্যৰ দ্বাৰাই প্ৰস্তুত কৰক।**

ঈশ্বৰে তেওঁৰ লোকবিলাকক তেওঁৰ দহ আজ্ঞা, যিবিলাক পুৰণি নিয়ম বিধানৰ অন্তঃকৰণ আৰু ভেঁটি আছিল, সেইবোৰ গ্ৰহণ কৰিবলৈ কেনেদৰে প্ৰস্তুত কৰি লৈছিল সেই বিষয়ে জানিবলৈ যাত্ৰাপুস্তক ১৯ অধ্যায় পঢ়ক।



**দহ আজ্ঞা (সংক্ষিপ্তকৰণ)**

**মোৰ বাহিৰে আন কোনো ঈশ্বৰৰ নাথাকক।**

**কোনো মূৰ্ত্তি নাৰাখিবা।**

**ঈশ্বৰৰ নাম অনৰ্থক নল’বা।**

**জিৰণিৰ বাবে সপ্তম দিনটো পৃথকে ৰাখিবা।**

**পিতৃ-মাতৃক সন্মান কৰিবা।**

**নৰ-বধ নকৰিবা।**

**ব্যভিচাৰ নকৰিবা।**

**চুৰ নকৰিবা।**

**মিছা সাক্ষ্য নিদিবা।**

**আনৰ সম্পত্তিলৈ লোভ নকৰিবা।**

দহ আজ্ঞাৰ সম্পূৰ্ণ কথাখিনি, যিটো পুৰণি নিয়মে বিধান বা চুক্তি বুলি কৈছে সেইখিনি যাত্ৰাপুস্তক ২০ঃ১-১৭ পদত চাওঁক।

**দহ আজ্ঞাৰ বিষয়ে বুৰঞ্জীমূলক সত্যতা ঃ**

- ঈশ্বৰে ইস্ৰায়েলসকলক আচৰিত ভাৱে চুফ সাগৰৰ মাজেদি পথ নিৰ্মাণ কৰি মিচৰৰ দাসত্বৰ পৰা চলাই অনাৰ ঠিক পিচতেই দহ আজ্ঞাবিলাক তেওঁলোকক দিছিল। তেওঁৰ দয়াৰ সেই মহান আচৰিত কাৰ্য্যৰ বাবে তেওঁলোকে তেওঁক মানি চলিব পাৰিছিল। (যাত্ৰা পুস্তক ২০ঃ২)
- পুৰণি বিধানত প্ৰধান দহটা বিধানক লৈ ৬১২ বিধান আছিল। সেইবোৰৰ বেছি ভাগে ঈশ্বৰে এতিয়া তেওঁৰ লোকবিলাকক মানি চলিব দিয়া নাই, যেনে কেৱল যিৰূচালেমতহে সেৱা উপাসনা কৰা, সপ্তমদিনা (বিশ্ৰামবাৰ) কাম কৰা বিলাকক বধ কৰা, বিশ্ৰামৰ বছৰত মাটি চাহ কৰা, পশু উৎসৰ্গা কৰা। পুৰণি নিয়মবোৰৰ বিধানৰ ভিতৰত খুব কম কেইটামান বিধান নতুন নিয়মত লাগে। দুয়োটা নিয়মৰে প্ৰধান বিধানটো হৈছে প্ৰেমৰ বিধান (দ্বিতীয় বিৱৰণ ৬ঃ৪-৫) যিবিলাকে বিশ্বাসীসকলে বিশেষ দিন মানি চলা আৰু অনুমোদিত আহাৰ ভোজন কৰা বিচাৰে, তেওঁবিলাকক পাঁচনি পৌলে ধম্‌কি দিছিল (গালাঃ ৩ঃ১-৩; ৪ঃ৯-১১, কলচীয়া ২ঃ১৬-১৭)।

- মোচিয়ে তেওঁৰ শহুৰেক যিথ্ৰোৰ উপদেশ মানি আৰু ঈশ্বৰৰ লোকবিলাকৰ বিচাৰ কৰিবলৈ কৰ্ম্ম নিপুণ মানুহবিলাকক মনোনীত কৰিলে (যাত্ৰাপুস্তক ১৮ঃ২৪-২৫)। এই বিচাৰকসকলে ঈশ্বৰৰ বিধানবোৰ জানিব লগাত পৰিছিল (যাত্ৰা ১৯ঃ৭)। ঘুৰি ফুৰা ইস্ৰায়েলী সকলে এটি পৰ্ব্বতৰ ওচৰত যিটো পিচলৈ চীনয় পৰ্ব্বত বুলি কোৱা হৈছিল, এবাৰ তাত বাহৰ পাতি আছিল। ঈশ্বৰে তেওঁলোকক সেই পৰ্বতৰ ওপৰলৈ উঠি যাবলৈ হাক দিছিল, নহ'লে তেওঁলোকৰ মৃত্যু হ'ব বুলি কৈছিল (যাত্ৰা ১৯ঃ২-৫) কেৱল তালৈ মোচিকহে যাবলৈ দিয়া হৈছিল। ঈশ্বৰে মহা বিজুলী-গাজনি আৰু ধোঁৱাৰে সেই পৰ্বতলৈ নামি আহিছিল, পৰ্বতখন প্ৰচণ্ডভাৱে জোকাৰি উঠিছিল (যাত্ৰা ১৯ঃ১৬-২০)। তাতেই ঈশ্বৰে শিলৰ ফলিত খোদিত দহ আজ্ঞা মোচিক দিছিল (যাত্ৰাপুস্তক ২৪ঃ১২)।
- খ্ৰীষ্টিয় বিশ্বাসীসকলৰ প্ৰয়োজন অনুসৰি নতুন নিয়মত এই দহোটা আজ্ঞাৰ নটা আজ্ঞা পুনৰুল্লেখ কৰিছে। সপ্তাহৰ সপ্তম দিনটো খ্ৰীষ্টিয়ানবিলাকে জিৰণীৰ বাবে বেলেগকৈ ৰখাৰ প্ৰয়োজন নাই। কিছুমান পুৰণি খ্ৰীষ্টিয়ান সমাজে সপ্তাহৰ প্ৰথম দিনতেই গোট খাইছিল (পাঁচনিৰ কৰ্ম্ম ২০ঃ৭)। ঈশ্বৰে বিশ্ৰাম দিনটো অন্য দিনলৈ সলনি কৰা নাই। বৰং, তেওঁৰ লোকবিলাকৰ বাবে যি ধৰণৰ বিশ্ৰামৰ বিষয়ে নিয়ম চুক্তি কৰিছিল তাৰহে তেওঁ সলনি কৰিছিল (ইব্ৰী ৪ঃ৩-১২) কিছুমান মণ্ডলীক এতিয়াও সম্পূৰ্ণ বিশ্ৰাম লাগে।
- পুৰণি নিয়মৰ অনেকবোৰ বিধানৰ দৰে পুৰণি নিয়ম চুক্তিত দৰকাৰ হোৱা সপ্তমদিনৰ বিশ্ৰামে পুৰণি, ক্ষন্তেকীয়া আৰু পাৰ্থিৱ সৃষ্টিক কেন্দ্ৰীভূত কৰিছিল, কাৰণ ঈশ্বৰে জগত সৃষ্টি কৰা কাম সম্পূৰ্ণ কৰি সপ্তমদিনা জিৰণি লৈছিল (যাত্ৰাপুস্তক ২০ঃ১১)।
- সপ্তাহৰ প্ৰথম দিনটোৰে, যিদিনা যীচুৱে মৃত্যুৰ পৰা উঠিছিল, পুৰণিৰ স্থান লোৱা নতুন চুক্তিৰ নতুন, আত্মিক সৃষ্টিক কেন্দ্ৰীভূত কৰিছে। খ্ৰীষ্টিয়ানসকলে যেতিয়া পবিত্ৰ আত্মাৰ দ্বাৰাই নতুন জন্ম পায়, তেতিয়াই এই নতুন অনন্তকলীয়া সৃষ্টিৰ ভাগী হয়। (যিৰিমিয়া ৩১ঃ৩১-৩৪; ২কৰঃ ৫ঃ১৭)।
- ঈশ্বৰে পুৰণি নিয়মৰ বিধানৰ ঠাইত নতুন নিয়মৰ অনুগ্ৰহৰ চুক্তি স্থাপন কৰিলে। যীচুৱে যিহেতু তেওঁৰ তেজৰ দ্বাৰাই নতুন নিয়মচুক্তিক পৰিচয় কৰি দিলে, গতিকে বিশ্বাসীসকলে মানি চলিবৰ বাবে এক নতুন ধৰণৰ বিধান নতুন নিয়মে প্ৰকাশ কৰিলে। ইয়াক স্বাধীনতাৰ বিধান (যাকোব ১ঃ১৪), বিশ্বাসৰ বিধান (ৰোমীয়া ৩ঃ২৭-২৮), প্ৰেমৰ বিধান (গালাতীয়া ৫ঃ১৪), আৰু আত্মাৰ বিধান; (ৰোমীয়া ৮ঃ২-৪) বোলা হৈছিল। অধিক গৌৰৱময় আৰু অনন্তকলীয়া "আত্মাৰ পৰিচৰ্য্যাই পুৰণি "মৃত্যুৰ পৰিচৰ্য্যা" যি পুৰণি বিধান আছিল আৰু লোপ হৈ গ'ল (১ম কৰিঃ ৩ঃ৭-১১)।
- পুৰণি নিয়মৰ বিধানে মৃত্যু আনিছিল কাৰণ কোনেও এই আজ্ঞাবোৰৰ সকলোখিনি মানিব নোৱাৰিছিল। ইয়াৰ তিনিখলপীয়া উদ্দেশ্য আছিল ঃ

  ১) ই প্ৰাচীন ইস্ৰায়েলৰ সামাজিক আৰু সামৰিক নিয়মবোৰক বুজাইছিল, যাতে বৃদ্ধবিলাকে জ্ঞানীৰ দৰে বিচাৰ কৰিব পাৰে।

  ২) ই পাপৰ সম্বন্ধে জ্ঞান দিলে (ৰোমীয়া ৩ঃ১৯-২০)

  ৩) বিধানে আমাৰ ৰখীয়া শিক্ষক আৰু ভবিষ্যত উত্তম বিষয়বোৰৰ ছাঁ নিচিনা হৈছে যেন পাপী লোকসকল যীচুৰ ওচৰলৈ আহিব পাৰে, যিজনে আমাৰ পাপৰ ধাৰ শুজালে আৰু আমাৰ বিৰুদ্ধে লিখা আজ্ঞাসমূহ ক্ৰুচবিদ্ধ কৰি মচি পেলালে, (গালাতীয়া ৩ঃ২৪-২৫; কলচীয়া ২ঃ১৪-১৭)।

**যাত্ৰাপুস্তক ৩২ অধ্যায় পঢ়ক ঃ** মোচিক ঈশ্বৰে দহ আজ্ঞা দিয়াৰ আন এটি বিৰৰণী চাওক ঃ

- ঈশ্বৰে ইস্ৰায়েল বিলাকৰ প্ৰতি কিয় ইমান ক্ৰোধ হ'ল?
- দেৱপূজকবিলাকক বিনাশ কৰাৰ বিষয়ে ঈশ্বৰে তেওঁৰ মন কিয় সলনি কৰিলে?
- মোচিয়ে তেওঁৰ খণ্ডৰ বাবে সাক্ষ্য ফলিখনলৈ কি কাম কৰিলে?

**২। অহা সপ্তাহটোত বিশ্বাসীসকলে ইজনে-সিজনক সহায় কৰিবলৈ, "বিধানৰ বাক্যৰ" সলনি পৰিত্ৰ আত্মাৰে পৰিচালিত হ'বলৈ কি কৰিব, সেই বিষয়ে আঁচনি তৈয়াৰ কৰি লওক।**

যদি কোনোবা বিশ্বাসীৰ পুৰণি নিয়মৰ বিধানবোৰৰ দ্বাৰাই খেলি-মেলি লাগিছে, তেওঁলোকৰ ঘৰলৈ যাওঁক আৰু এই পাঠত দিয়া সত্যবোৰ বুজাই দিয়ক। খ্ৰীষ্টিয়ান বিশ্বাসীসকলে যে এতিয়া অনুগ্ৰহৰ নতুন নিয়মত চলিছে সেই কথা বুজাই দিয়ক। খ্ৰীষ্টিয়ান জীৱনৰ খুটি-নাটী সবিশেষবোৰ লিখিত বিধানৰ দ্বাৰাই দমন কৰা হোৱা নাই। আমি প্ৰেমৰ বিধান পালন কৰা হেতুকে, স্বাধীনতাৰ বিধানৰ দ্বাৰাই পবিত্ৰ আত্মাই খ্ৰীষ্টিয়ান সকলক চলাই নিয়ে।

বিশ্বাসীসকলে যদি পুৰণি নিয়মৰ বিধানবোৰ মানি চলিবই লাগে বুলি ভাবে, তেনেহ'লে বিধানৰ বান্ধোনৰ পৰা তেওঁলোকে মুক্তি পাবলৈ প্ৰাৰ্থনা কৰক। ৰোমীয়া ৬ঃ১৪, "কিয়নো তোমালোকৰ ওপৰত পাপে প্ৰভুত্ব নকৰিব; কাৰণ তোমালোক বিধানৰ অধীন নোহোৱা, অনুগ্ৰহৰহে অধীন হৈছা।" পদটি মুখস্থ কৰিবলৈ তেওঁলোকক সহায় কৰক।

বিশ্বাসীসকলে যদি তেতিয়াও যীচুৰ প্ৰেমৰ সহিত আদেশবোৰ মানি নচলি পূৰণি বিধানকেই মানি চলিব বিচাৰে তেনেহ'লে কলচীয়া ২ঃ১৬-১৭ পদ তেওঁলোকৰ বাবে পঢ়ক "এতেকে ভোজন, বা পান, বা উৎসৱ, বা ন জোন বা বিশ্ৰামবাৰৰ কথাত, কোনেও তোমালোকৰ সোধ-বিচাৰ নকৰক। এই সকলোবোৰ ভাবি বিষয়ৰ ছাঁ মাথোন; কিন্তু শৰীৰ খ্ৰীষ্টৰ।

**৩। সকৰ্ম্মীসকলৰ সৈতে পিছৰ উপাসনাৰ বাবে কামবোৰৰ আঁচনি তৈয়াৰ কৰি লওঁক।**

বৰ্ত্তমান সময়ত প্ৰয়োজনীয় আৰু স্থানীয় ৰীতি-নীতি অনুসৰি কামবোৰৰ বাচনি কৰক।

ঈশ্বৰে কেনেকৈ ইস্ৰায়েলসকলক দহ আজ্ঞা দিছিল আৰু মোচিয়ে কেনেকৈ পাপ কৰা সকলক ৰক্ষা কৰিবলৈ ঈশ্বৰৰ ওচৰত নিবেদন জনাইছিল, সেই বিষয়ে কওঁক।

পুৰণি নিয়মৰ বিধানৰ সম্বন্ধে বুৰঞ্জীমূলক সত্যতাখিনি বুজাই দিয়ক। (ওপৰৰ ১ম ভাগ)

ঈশ্বৰে কেনেকৈ পুৰণি বিধানৰ ঠাইত অনুগ্ৰহৰ নতুন চুক্তি দিলে সেই বিষয়ে বুজাই দিয়ক। (ওপৰৰ ১ম ভাগ)

ল'ৰা-ছোৱালীবিলাকে যুগুত কৰা নাটক, কবিতা আৰু প্ৰশ্নবিলাক পৰিবেশন কৰিবলৈ দিয়ক।

যি লোকবিলাকে পুৰণি বিধানৰ লগত টনা-আজোঁৰা কৰি আছে সেই সকলক সহকৰ্ম্মী সকলৰে সৈতে সাক্ষাৎ কৰাৰ আপুনি যি আঁচনি লৈছে সেই বিষয়ে বুজাই দিয়ক।

**একেলগে মুখস্থ কৰক ঃ** যোহন ১ঃ১৭ পদ "কাৰণ মোচিৰ দ্বাৰাই বিধান দিয়া হ'ল; কিন্তু অনুগ্ৰহ আৰু সত্যতা যীচুখ্ৰীষ্টৰ দ্বাৰাইহে আহিল।"

প্ৰভুৰ ভোজ আৰম্ভ কৰিবলৈ কলচীয়া ২ঃ১৩-১৪ পদটি পঢ়ি দিয়ক। যীচুৰ তেজে আমাক মৃত্যুৰ বিধানৰ অভিশাপৰ পৰা মুক্ত কৰিলে আৰু প্ৰভুৰ ভোজে তেওঁৰ তেজ বলিদানৰ উৎসৱ পালন কৰে।

দুই বা তিনিজনীয়া দল হৈ ইজনে সিজনৰ বাবে প্ৰাৰ্থনা কৰক আৰু সহায় কৰক। যিসকলে পুৰণি বিধান ৰক্ষা কৰি চলাত কষ্ট কৰি আছে, তেওঁলোকক নতুন নিয়ম বিশ্বাসীৰ তেনে হোৱাতো যে ঈশ্বৰে বিচৰা নাই সেই বিষয়ে সহায় আপোনাৰ আচনিৰ কথা নিশ্চিতঃ কৰি দিয়ক।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net